# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-05-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

- - - - - - - - - - - - - - - -

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন। বিয়লি ৫ বজা পৰ্যন্ত ৫৬ দশমিক ৬-৮ শতাংশ ভোটদাতাৰ ভোটৰ অধিকাৰ সাব্যস্ত।

২। বিজেপিৰ নেতা ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, কে এল শৰ্মা, নেচনেল কনফাৰেন্সৰ ওমৰ আব্দুল্লাৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী।

৩। হেলিকপ্টাৰ দুৰ্ঘটনাত মৃত্যু ঘটা ইৰাণৰ ৰাষ্ট্ৰপতি আৰু বিদেশমন্ত্ৰীৰ সন্মানাৰ্থে কাইলৈ দেশজুৰি কেন্দ্ৰৰ ৰাষ্ট্ৰীয় শোক ঘোষণা।

৪। কাঁ চলচ্চিত্ৰ মহোৎসৱত পাৰ্থ সাৰথি মহন্তৰ পৰিচালিত লাচিত দ্যা ৱাৰিয়ৰ নামৰ চলচ্চিত্ৰখনৰ প্ৰদৰ্শন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে আজি অনুষ্ঠিত ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অব্যাহত আছে। বিয়লি ৫ বজা পৰ্যন্ত ৫৬ দশমিক ৬-৮ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। বিহাৰত ৫২ দশমিক ৩-৫ শতাংশ, জম্মু কাশ্মীৰত প্ৰায় ৫৪ দশমিক ২-১ শতাংশ, ঝাৰখণ্ডত ৬১ দশমিক ৯-০ শতাংশ, লাডাখত ৬৭ দশমিক ১-৫ শতাংশ, মহাৰাষ্ট্ৰত ৪৮ দশমিক ৬-৬ শতাংশ, ওড়িশাত ৬০ দশমিক ৫-৫ শতাংশ, উত্তৰ প্ৰদেশত ৫৫ দশমিক ৮-০ শতাংশ, পশ্চিমবংগত ৭৩ শতাংশ ভোটদাতাই ৫ বজালৈকে ভোটদান কৰে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্ধিয়া ৬ বজাত সামৰণি পৰিছে। উল্লেখযোগ্য যে পঞ্চম পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩ টা, পশ্চিমবংগৰ সাতটা, ওড়িশা আৰু বিহাৰৰ ৫ টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হৈছে। এই পৰ্যায়ত ৬৯৫ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, কে এল শৰ্মা, নেচনেল কনফাৰেন্সৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামবিলাস পাছোৱানৰ চিৰাগ পাছোৱান অন্যতম। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ৯৪ হাজাৰ ৭৩২ টা ভোটগ্ৰহণ কেন্দ্ৰত ৯ লাখ ৪৭ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। এই পৰ্যায়ত ৮ কোটি ৯৫ লাখ ভোটদাতাই ভোটদানৰ সুযোগ লাভ কৰিব। ইয়াৰে ভিতৰত ৪ কোটি ৬৯ লাখ পুৰুষ, ৪ কোটি ২৬ লাখ মহিলা আৰু ৫ হাজাৰ ৪০৯ গৰাকী তৃতীয় লিংগৰ

ভোটদাতা আছে। এই পৰ্যায়ৰ বাবে স্থাপন কৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহত খোৱা পানী, ৰেম্প, শৌচালয়, হুইল চেয়াৰ আদি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰা হৈছে। ইপিনে আজি ওড়িশা বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ বাবে অনুষ্ঠিত নিৰ্বচনত ৬০ দশমিক ৫-৪ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰা বুলি ৫ বজা পৰ্যন্ত তথ্য পোৱা গৈছে।

উল্লেখযোগ্য যে এতিয়ালৈকে ২৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৭৯ টা সংসদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হৈছে আৰু প্ৰায় ৬৭ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে।

০০০০০

লোকসভা নিৰ্বাচনৰ বাকী থকা দুটা পৰ্যায়ৰ বাবে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলে ৰাজ্যসমূহত ৰাজহুৱা সভা আৰু ৰোড শ্ব'সমূহত অংশগ্ৰহণ কৰি নিজ নিজ দলৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওড়িশা আৰু পশ্চিমবংগত আজি কেবাটাও সমদলত অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে ওড়িশাৰ আংগুল আৰু কটকত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে এন ডি এ চৰকাৰ পুনৰ শাসনলৈ আহিলে ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত বৰ্তমানৰ ২ হাজাৰ ২০০ টকাৰ পৰা ৩ হাজাৰ ১০০ টকালৈ বৃদ্ধি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। শ্ৰীমোদীয়ে কয় যে, ওড়িশাত পৰ্যাপ্ত পৰিমাণে প্ৰাকৃতিক সম্পদ থকা সত্বেও ৰাজ্যখনৰ জনসাধাৰণ দৰিদ্ৰ হৈ আছে। তেওঁ নবীন পাটনায়ক নেতৃত্বাধীন চৰকাৰক ২৪ বছৰীয়া শাসনকালত কৃষক আৰু যুৱ প্ৰজন্মৰ কল্যাণৰ বাবে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰা বুলি সমালোচনা কৰে। শ্ৰীমোদীয়ে আজি পুৰীৰ পৰা ২ কিলোমিটাৰ জোৰা এটা ৰোড শ্ব'ত অংশ লয়। ইফালে পশ্চিমবংগত প্ৰধানমন্ত্ৰীয়ে ঝাৰগ্ৰাম আৰু তামলুকত জনসভাত অংশ লৈছে। বিজেডিৰ সভাপতি নবীন পাটনায়কে আজি বিয়লি এটা ৰোড শ্ব'ত অংশ লয়। ইফালে জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে আজি হাৰিয়ানাৰ কাৰ্নাল আৰু হিছাৰত জনসভাত অংশ লয়। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্যনাথে আজি ছত্তিগড়ত এটা সমাবেশক সম্বোধন কৰে।

আনহাতে, সমাজবাদী দলৰ প্ৰধান অখিলেশ যাদৱে আজি উত্তৰ প্ৰদেশৰ দোমাৰিয়াগঞ্জ, সন্ত কবীৰ নগৰ আৰু বস্তীত তিনিখন ৰাজহুৱা সভাত অংশ লয়। নিজৰ ভাষণত শ্ৰীযাদৱে আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে ৩০ লাখ যুৱক-যুৱতীক চাকৰিৰ সুবিধা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে কাইলৈ ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। হেলিকপ্টটাৰ দুৰ্ঘটনাৰ ফলত মৃত্যু ঘটা ইৰাণৰ ৰাষ্ট্ৰপতি ড০ ছৈয়দ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী আমিৰ আব্দুল্লাহিয়ানৰ প্ৰতি সন্মানাৰ্থে কেন্দ্ৰীয় চৰকাৰে কাইলৈ ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। এই সময়ছোৱাত সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত হৈ থাকিব। ইফালে ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছি আৰু বৈদেশিক মন্ত্ৰী হুছেইন আমিৰ আব্দুল্লাহিয়ানৰ কৰুণ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে, ভাৰত-ইৰাণৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই দুখৰ সময়ছোৱাত ইৰাণৰ সৈতে ভাৰত সমভাগী বুলি মন্তব্য কৰিছে।

আনহাতে ইৰাণৰ শীৰ্ষ নেতা আয়াতুল্লাহ খামেনীয়েই দেশখনৰ উপ-ৰাষ্ট্ৰপতি মহম্মদ মখবেৰক দেশখনৰ কাৰ্যবাহী ৰাষ্ট্ৰপতি হিচাপে নিযুক্তি দিছে। ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছিৰ হেলিকপ্টটাৰ দুৰ্ঘটনাত মৃত্যু ঘটাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ লগতে ইৰাণত ৫ দিনৰ বাবে ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা

হৈছে। দেশখনৰ নীতি অনুসৰি মখবেৰ অন্তৰৰ্তী ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হৈ থাকিব। আনহাতে ৫০ দিনৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব।

০০০০০

বিধি বলৰৎকাৰী সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুখ্য সমন্বয়ক অৰবিন্দ কেজৰিৱালৰ ১৪ দিনীয়া ন্যায়িক জিম্মাৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে আদালতত আবেদন দাখিল কৰিছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীৰ অন্তৰৰ্তীকালীন জামিনৰ ম্যাদ অহা ২ জুনত উকলি যাব। সুৰা কেলেংকাৰীৰ গোচৰত উচ্চতম ন্যায়ালয়ে কেজৰিৱালক ১ জুনলৈ অন্তৰৰ্তীকালীন জামিন প্ৰদান কৰিছিল। অহা ২ জুনত তেওঁ পুনৰ আত্মসমৰ্পণ কৰিব লাগিব।

ইপিনে, অৰবিন্দ কেজৰিৱালৰ জীৱনলৈ ভাবুকি অহাৰ অভিযোগ তুলি দেশৰ নিৰ্বাচন আয়োগলৈ আম আদমী পাৰ্টীৰ বিধায়কসকলে পত্ৰ প্ৰেৰণ কৰিছে। পেটেল নগৰৰ মেট্ৰ' ষ্টেচনত ভাবুকিভৰা বাৰ্তা লাভ কৰা বুলি দলটোৰ বিধায়কসকলে পত্ৰ প্ৰেৰণ কৰে। অংকিত গোৱেল নামৰ ইনষ্টাগ্ৰাম হেণ্ডেলৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীক ভাবুকি প্ৰদান কৰাৰ অভিযোগ পত্ৰত উত্থাপন কৰা হৈছে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে অশালীন মন্তব্য কৰা বুলি বিধায়কসকলে পত্ৰত উল্লেখ কৰিছে। সামাজিক মাধ্যমত কেজৰিৱালৰ ওপৰত হোৱা আক্ৰমণৰ ফটো প্ৰকাশ কৰা হৈছে বুলি বিধায়কসকলে পত্ৰত উল্লেখ কৰে। পত্ৰত দলটোৰ বিধায়কসকলে কেজৰিৱালৰ বিৰুদ্ধে ভাৰতীয় জনতা পাৰ্টীয়ে আক্ৰমণৰ ষড়যন্ত্ৰ ৰচিছে বুলি দাবী তোলে।

০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেৰাই আজি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীক লৈ কৰা কঠোৰ আৰু অশোভনীয় মন্তব্য সন্দৰ্ভত অভিযোগ তুলি মুখ্যমন্ত্ৰীগৰাকীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত নেতাগৰাকীয়ে বিজেপি নেতা তথা মুখ্যমন্ত্ৰী শৰ্মাৰ ৰাজহুৱা অনুষ্ঠানত সংবিধান সন্দৰ্ভত কৰা মন্তব্যই তেওঁক উদ্বিগ্ন কৰি তুলিছে বুলি তেওঁ উল্লেখ কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে এই পত্ৰখন তেওঁ এক্স হেণ্ডেলত শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰীগৰাকীৰ মন্তব্য দেশৰ হকে প্ৰাণ আহুতি দিয়া মহান সেনানীসকলৰ বাবে অসন্মানজনক বুলি মন্তব্য কৰে।

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ দক্ষতা বিকাশৰ দিশত যুৱ প্ৰতিভাসকলে অত্যাধুনিক প্ৰশিক্ষণ লাভ কৰাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উৎকৃষ্ট প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। শেহতীয়াকৈ অসম দক্ষতা বিকাশ অভিযানৰ অধীনত ভাৰত দক্ষতা ৰাষ্ট্ৰীয় প্ৰতিযোগিতা, ২০২৪-ত অংশগ্ৰহণ কৰি ৰাজ্যৰ কেইবাগৰাকীও যুৱক-যুৱতীয়ে শ্ৰেষ্ঠত্ব প্ৰদৰ্শনেৰে গৌৰৱ কঢ়িয়াই আনিছে। এই প্ৰতিযোগিতাৰ বিউটী থেৰাপি শাখাত স্বৰ্ণ জয় কৰি প্ৰীতিশা বৰ্মনে ফ্ৰান্সৰ লায়নত অনুষ্ঠিত হ'বলগীয়া ৱৰ্ল্ড স্কীল্‌ছ, ২০২৪ শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। একেদৰে নিজ নিজ দক্ষতা ক্ষেত্ৰত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰি এই প্ৰতিযোগিতাত অসমৰ আন ৪ গৰাকী যুৱ প্ৰতিভা মৃদুস্মিতা, দ্বৈপায়ন, যদুমণি আৰু সুশীলা লাক্ৰাই পদক জয় কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৰে টিকটবিহীনভাৱে যাত্ৰা কৰা যাত্ৰীসকলক চিনাক্ত কৰি প্ৰকৃত যাত্ৰীসকলৰ যাত্ৰা সূচল কৰি তুলিবলৈ চলিত বিত্তীয় বৰ্ষৰ ১ এপ্ৰিলৰ পৰা কালি পৰ্যন্ত অভিযান চলাই ১০ কোটি ৬৫ লাখৰো অধিক টকা জৰিমনা কৰিছে। আনহাতে যোৱা বছৰৰ এপ্ৰিলৰ পৰা চলিত বছৰৰ মাৰ্চ পৰ্যন্ত চলোৱা

অভিযানত টিকটবিহীনভাৱে ভ্ৰমণ কৰা যাত্ৰীৰ পৰা ৬৬ কোটি ২৭ লাখৰো অধিক টকা জব্দ কৰা হয়। উত্তৰ-পূব সীমান্ত ৰে'লৰ লগতে ৰে'ল যাত্ৰাৰ সময়ত অসুবিধাৰ সন্মুখীন নহ'বলৈ সকলো যাত্ৰীকে বৈধ পৰিচয় পত্ৰ লগত নিবলৈ আহ্বান জনাইছে। যাত্ৰীসকলে তেওঁলোকৰ স্মাৰ্টখনত থকা অসংৰক্ষিত টিকেটিং ছিষ্টেম মোবাইল এপ্লিকেশ্বনৰ জৰিয়তে অসংৰক্ষিত টিকট ক্ৰয় কৰিব পাৰিব।

ooooo

কাঁ চলচ্চিত্ৰ মহোৎসৱত এইবাৰ অসমৰ পাৰ্থ সাৰথি মহন্তৰ পৰিচালিত **লাচিত দা ৱাৰিয়ৰ** নামৰ চলচ্চিত্ৰখন প্ৰদৰ্শিত হৈছে। ১৪ মে'ৰ পৰা চলি থকা এই মহোৎসৱৰ প্ৰতিযোগিতা শাখাৰ বাহিৰেও অন্যান্য শাখাসমূহত ভাৰতীয় চলচ্চিত্ৰ প্ৰদৰ্শিত হৈছে। যোৱা ১৮ মে'ত **লাচিত দা ৱাৰিয়ৰ** চলিচ্চিত্ৰখন বিশ্বৰ বিভিন্ন প্ৰান্তৰ চলচ্চিত্ৰ প্ৰেমীয়ে উপভোগ কৰে। পাৰ্থ সাৰথি মহন্তৰ কাহিনী আৰু পৰিচালনা আৰু মীনা মহন্ত তথা ইন্দ্ৰাণী বৰুৱাৰ প্ৰযোজনাৰে এই চলচ্চিত্ৰখন মহাবীৰ লাচিতৰ জীৱন আৰু কৰ্ম সন্দৰ্ভত নিৰ্মাণ কৰা হৈছে। চলচ্চিত্ৰখনত বীৰগৰাকীৰ নৈপুন্য, অতুলনীয় শৌৰ্য আৰু গভীৰ দেশপ্ৰেমক প্ৰতিফলিত কৰা হৈছে।

ooooo

গোলাঘাট জিলাৰ বোকাখাটত অহা ২৩ মে'ৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ অনুষ্ঠিত হ'ব। বিজ্ঞানৰ জনপ্ৰিয়কৰণৰ লক্ষ্যৰে জ্ঞান-বিজ্ঞান সমিতি অসমৰ উদ্যোগত এই সমাৰোহৰ আয়োজন কৰা হৈছে। শিশুৰ শাৰীৰিক-মানসিক, বৌদ্ধিক সৃজনীশীলতা, সামাজিক, সামূহিক কাম কৰাৰ কৌশল বিকাশ কৰাৰ উদ্দেশ্যেৰে প্ৰতি বছৰে এই সমাৰোহৰ আয়োজন কৰা হয়। ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই সমাৰোহত অংক, বিজ্ঞান, পৰিৱেশ, জ্যোতিৰ্বিজ্ঞান, গীত-নাট আদি আমোদ আৰু খেলৰ জৰিয়তে শিক্ষা প্ৰদান কৰা হয়। প্ৰয়াত বিজ্ঞান ড০ পদ্মেশ্বৰ গগৈ আৰু পদ্মশ্ৰী বীৰুবালা ৰাভা সোঁৱৰণী এই সমাৰোহখনত গ্ৰন্থমেলা আৰু বোকাখাটৰ যুৱ বিজ্ঞানী তথা প্ৰকৃতিপ্ৰেমীসকলৰ কৰ্মৰাজীৰ প্ৰদৰ্শনী আয়োজন কৰা হৈছে। চাৰিটা শিকন কোণৰ উপৰি অন্ধবিশ্বাস দূৰীকৰণ সম্পৰ্কীয় সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰিছে। সমাৰোহত শান্তি স্বৰূপ ভাটনাগৰ পুৰস্কাৰ প্ৰাপ্ত বিজ্ঞানী বিনয় কুমাৰ শইকীয়াই শিশুসকলৰ সৈতে মত বিনিময় কৰিব। শিশুসকলৰ সাংস্কৃতিক অনুষ্ঠানেৰে অহা ২৫ মে'ত এই সমাৰোহৰ অন্ত পৰিব।

ooooo

গুৱাহাটীৰ অগপৰ মুখ্য কাৰ্যালয়ত আজি দলৰ কেন্দ্ৰীয় বৰ্ধিত কাৰ্যনিৰ্বাহকৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, ফণীভূষণ চৌধুৰীৰ লগতে ৰাজ্যৰ বিভিন্ন সংসদীয় সমষ্টিৰ বাবে নিযুক্ত অগপৰ পৰ্যৱেক্ষকসকল উপস্থিত থাকে। শেহতীয়া নিৰ্বাচনী কাৰ্যকলাপৰ সৈতে জড়িত বিভিন্ন দিশ পৰ্যালোচনা কৰা লগতে বৈঠকত দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ বাবে তৃণমূল পৰ্যায়ত ল'বলগীয়া ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰা হয়। সংসদীয় সমষ্টি আৰু বিধানসভা সমষ্টিসমূহৰ দায়িত্বত থকা বিষয়াসকলৰ পৰা বৈঠকত প্ৰতিবেদন গ্ৰহণ কৰা হয়। ইয়াৰ লগতে লোকসভা সমষ্টিৰ নিৰ্বাচনী ফলাফলক লৈও বৈঠকত পৰ্যালোচনা কৰা হয়।

ooooo

ৰাজ্যৰ ভিন্ন প্ৰান্তত যোৱানিশা হোৱা ধুমুহা, বৰষুণ আৰু বজ্ৰপাতত কেইবাটাও পৰিয়াল গৃহহীন হোৱাৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ৰাজহুৱা সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হৈছে। ধুমুহাৰ ফলত ঠায়ে ঠায়ে প্ৰকাণ্ড গছ বাগৰি পৰাত বিদ্যুৎ সেৱা আৰু যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। নলবাৰীৰ মুগকুছি এলেঙ্গীদলৰ শংকৰ আজান পুথি ভঁৰালৰ বিস্তৰ ক্ষতিসাধন হয়। লগতে জিলাখনৰ খাৰজৰা আশ্ৰমৰ সন্মুখত গছ উভালি

পৰি শতাধিক বাহন আবদ্ধ হৈ পৰে। বাঁহজানীৰ দৌকুছিতো কালি নিশাৰ ভাগত অহা ধুমুহাৰ ফলত গছৰ ডাল ভাঙি বিদ্যুৎ পৰিবাহী খুঁটা উভালি পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈ পৰে। আনহাতে, পশ্চিম নলবাৰীৰ কেইবাঠাইতো গছ উভালি পৰাৰ ফলত স্কুল বাছ, ব্যক্তিগত বাহন আদি ক্ষতিগ্ৰস্ত হোৱাৰ লগতে যাতায়াত ব্যৱস্থাতো ব্যাঘাত জন্মিছে।

ooooo

গোৱালপাৰা জিলাৰ দুধনৈত অহা ২৩ মে'ৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাভা জনগোষ্ঠীৰ বায়খ' উৎসৱ উদযাপন কৰা হ'ব। দুধনৈৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই উৎসৱৰ এইবাৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰিবলৈ লোৱা হৈছে। উৎসৱৰ বাবে অঞ্চলটোত ব্যাপক প্ৰস্তুতি অব্যাহত আছে। ২০০ গৰাকী যুৱক-যুৱতীয়ে এই উৎসৱত সমবেত হৈ ছাথাৰ নৃত্য পৰিবেশন কৰিব। তদুপৰি পৰম্পৰাগত ৰীতি-নীতি আৰু মাংগলিক পৰম্পৰাৰে বায়খ' পূজা, সন্ধিয়াৰ ভাগত পূজাৰী সকলে জুইৰ ওপৰত কৰা বাৰণাককাই নৃত্য আৰু বগেজাৰী নৃত্য পৰিবেশন কৰা হ'ব।

ooooo

গোলাঘাট জিলাৰ নুমলিগড়ৰ বিভিন্ন প্ৰান্তত বন্যহস্তীৰ সন্ত্ৰাস অব্যাহত আছে। বুঢ়াগোঁহাই খাটৰ ক'লিয়নি চাহ বাগিচাত হাতীৰ আক্ৰমণত চতু উৰাং নামৰ এখন লোক নিহত হয়। নিশা শুই থকা অৱস্থাত হাতীয়ে লোকজনক আক্ৰমণ কৰে। নিশাই বন বিভাগৰ দল ঘটনাস্থলীত উপস্থিত হৈ লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

ooooo

বিভিন্ন কাৰণত বিদ্যালয় ত্যাগ কৰা শিক্ষাৰ্থীসকলক পুনৰ বিদ্যালয়লৈ প্ৰত্যাৱৰ্তনৰ বাবে মৰিগাঁও জিলাৰ জাগীৰোডৰ সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। **পাঠ আমি পঢ়িমেই, দেশ আমি গঢ়িমেই** শীৰ্ষক শ্লোগানেৰে সমবায় সমিতিখনে অভিযানৰ অংশ হিচাপে ইতিমধ্যে ৩০ গৰাকী শিক্ষাৰ্থীক বিনামূলীয়া শিক্ষা প্ৰদান কৰিছে। বৃত্তিগত গো সেৱাৰ শতবৰ্ষত পদাৰ্পন কৰাৰ সময়ত সীতাজখলাৰ কৰ্তৃপক্ষই শৈক্ষিক সজাগতা অভিযান আৰম্ভ কৰিছে। মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই আজি শিক্ষাদান শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰি সমবায় সমিতিৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে।

ooooo

কাছাৰ জিলাৰ ফুলেৰতলত কুৱাত আবদ্ধ হৈ মৃত্যু হোৱা তিনিজন লোকৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে। মৃত লোক কেইজনক মনজিত দেব, প্ৰসেনজিত দেব আৰু অমিত সেন বুলি চিনাক্ত কৰা হৈছে। কুৱাটোত পৰি যোৱা এটা কুকুৰাক উদ্ধাৰ কৰিবলৈ যাওতে এই ঘটনাটো সংঘটিত হয়। এন ডি আৰ এফ আৰু এছ ডি আৰ এফে অভিযান চলাই লোক তিনিজনক উদ্ধাৰ কৰাৰ পাছত শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ লৈ যোৱা হয় যদিও চিকিৎসকে তেওঁলোকক মৃত ঘোষণা কৰে। কুৱাৰ ভিতৰত অক্সিজেনৰ মাত্ৰ কম হোৱাৰ ফলত তিনিওজন লোকৰ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমখন কোৱালিফায়াৰ খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া

এই খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ত ৰাজস্থান ৰয়েলছে পৰহিলৈ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সৈতে এলিমিনেটৰ যুঁজত অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত ১৭ পইণ্টেৰে ছানৰাইজাৰ্ছ হায়দৰাবাদ দ্বিতীয় স্থানত থকাৰ বিপৰীতে ১৯ পইণ্টেৰে কলকাতা নাইট ৰাইডাৰ্ছ প্ৰথম স্থানত আৰু ৰাজস্থান ৰয়েলছ ১৬ পইণ্টেৰে তৃতীয় স্থানত আছে।

০০০০০

সমাপ্ত